# অসম বিধান সভা

## মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

## শুক্ৰবাৰ, ৭ মাৰ্চ, ২০২৫

ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা, তথ্য প্ৰযুক্তি, বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন, পাৰ্বত্য এলেকা উন্নয়ন, পৰিবহন, সমবায়, খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস তথা সংস্কৃতি, (প্ৰত্নতত্ব সঞ্চালকালয় আৰু পুথি ভড়াঁল আৰু সংগ্ৰহালয় সঞ্চালকালয়, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, জলসিঞ্চন, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম, ভূমি সংৰক্ষণ, বড়োলেণ্ড কল্যাণ।

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা-২০**

*বিষয় ঃ* **ভূমি সংৰক্ষণ বিভাগৰ আঁচনি সম্পৰ্কে।**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

* ১২১। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা বিধান সভা সমষ্টিত যোৱা ২০২১-২২ চনৰ পৰা ২০২৪-২৫ চনলৈ চাৰিটা বিত্তীয় বৰ্ষত এই বিভাগৰ দ্বাৰা কি কি আঁচনি ৰূপায়ণ কৰিছে? বিত্তীয় বৰ্ষ অনুযায়ী আঁচনি সমূহৰ তালিকা সদনত দাখিল কৰিব।

(খ) বৰপেটা বিধান সভা সমষ্টিত এই বিভাগৰ দ্বাৰা বৰ্তমানে কি কি আঁচনিৰ কাম চলি আছে? চলি থকা আঁচনি সমূহৰ তালিকা, আবণ্টিত ধনৰ পৰিমাণ আৰু কামৰ অগ্ৰগতিৰ খতিয়ান সদনত দাখিল কৰিব।

(গ) বৰপেটা জিলাত এই বিভাগে নতুনকৈ কোনো আঁচনি ৰূপায়ণৰ পৰিকল্পনা কৰিছেনে? যদি কৰিছে, সবিশেষ তথ্য বিতংকৈ জনাব।

*বিষয় ঃ* **অসমৰ কৃষিভূমিত জলসিঞ্চনৰ অৱস্থা।**

শ্ৰীঅখিল গগৈ ঃ

* ১২২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৫-১৬ বৰ্ষত অসমৰ Net Agricultural land আৰু Gross Agricultural Land কিমান আছিল? সেই বছৰত অসমত কিমান Net Irrigated land আৰু Gross Irrigated Land আছিল আৰু ই অসমৰ মুঠ কৃষি ভূমিৰ কিমান শতাংশ আছিল?

(খ) ২০২৪-২৫ বৰ্ষত অসমৰ Net

Agricultural Land আৰু Gross Agricultural Land কিমান হ'লগৈ? এই বৰ্ষত অসমৰ কিমান Net Irrigated Land আৰু Gross Irrigated Land আছে আৰু ই অসমৰ মুঠ কৃষি ভূমিৰ কিমান শতাংশ? ১০ মে', ২০১৬ চনৰ পাছৰ পৰা এই প্ৰশ্নৰ উত্তৰ দিয়াৰ তাৰিখলৈকে বিভাগে অসমত জিলাভিত্তিক কিমান অতিৰিক্ত পানী দিব পৰা ক্ষমতা অৰ্জন কৰিছে? তালিকা দিব।

(গ) ১ মে', ২০১৬ ৰ পাছত জলসিঞ্চন বিভাগে বৰ্তমানলৈকে স্থাপন কৰা ক্ষুদ্ৰ, মধ্যমীয়া আৰু বৃহৎ জলসিঞ্চন প্ৰকল্পবোৰৰ নাম, পানী যোগান ধৰাৰ আৰম্ভণিৰ তাৰিখ, প্ৰতিটোৱে পানী যোগান ধৰা মাটিৰ পৰিমাণ, কোন কোন Crop Season ত পানী যোগান ধৰি আছে উল্লেখ কৰি সদনত তথ্য দাখিল কৰিব।

*বিষয় ঃ* **প্ৰাকৃতিক দুৰ্য্যোগ**

শ্ৰীতেৰছ গোৱালা ঃ

* ১২৩। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৫ বৰ্ষত অসমত প্ৰাকৃতিক দুৰ্য্যোগ সংঘটিত হৈছে নেকি? যদি হৈছে, ক'ত ক'ত আৰু কি কি প্ৰাকৃতিক দুৰ্য্যোগ হৈছে সবিশেষ জনাব।

(খ) ২০২৫ চনৰ ১২ ফেব্ৰুৱাৰী ৰাতি দুলীয়াজান বিধান সভা সমষ্টিত প্ৰাকৃতিক দুৰ্য্যোগ (ধুমুহা আৰু শিলাবৃষ্টি) হোৱা সম্পৰ্কে চৰকাৰ জ্ঞাতনে? যদি জ্ঞাত, কিমানখন গাঁও আৰু কিমান লোক ক্ষতিগ্ৰস্ত হৈছে? গাঁও ভিত্তিত ক্ষতিগ্ৰস্ত লোক সকলৰ নামৰ তালিকা দিব।

(গ) ক্ষতিগ্ৰস্ত লোক সকলক তৎকালীন সহায় হোৱাকৈ কি কি সুবিধা দিয়া হৈছে? সবিশেষ জনাব।

(ঘ) প্ৰাকৃতিক দুৰ্য্যোগ সংঘটিত হ'লে দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ পৰা কি কি সা-সুবিধা আৰু কিমান দিনৰ ভিতৰত দিয়া হয়? সবিশেষ জনাব।

*বিষয় ঃ* **বসুন্ধৰা আঁচনিৰ জৰিয়তে চাহ শ্ৰমিকৰ ম্যাদী পট্টা আবণ্টন সম্পৰ্কে।**

শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ ঃ

* ১২৪। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সোণাৰী সমষ্টিৰ অন্তৰ্গত চাহ বাগিচাত নিয়োজিত হৈ থকা কিমান সংখ্যক চাহ শ্ৰমিকক বসুন্ধৰা আঁচনিৰ জৰিয়তে মাটিৰ ম্যাদী পট্টা আবণ্টন দিয়া হ'ল?

(খ) উক্ত সমষ্টিৰ অন্তৰ্গত কিমান সংখ্যক চাহ শ্ৰমিকে এতিয়ালৈকে বসুন্ধৰা আঁচনিৰ অধীনত ম্যাদী পট্টাৰ বাবে আবেদন কৰিছে?

*বিষয় ঃ* **বিজনী মহকুমা অসামৰিক চিকিৎসালয়ত চিকিৎসকৰ নাটনি প্ৰসঙ্গত।**

শ্ৰীঅজয় কুমাৰ ৰায় ঃ

* ১২৫। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

বিজনী বিধান সভা সমষ্টিৰ ৩০ খন বিছনাযুক্ত মহকুমা অসামৰিক চিকিৎসালয় খনত পৰ্য্যাপ্ত চিকিৎসক নথকাৰ বিষয়ে চৰকাৰ অৱগত নে? যদি অৱগত, তেন্তে কেতিয়াৰ ভিতৰত এই চিকিৎসকৰ নাটনিৰ সমস্যা বিভাগে সমাধান কৰিব জনাব।

*বিষয় ঃ* **বিভাগ সমূহে এমট্ৰ'নৰ পুঁজি মোকলাই দিয়া সম্পৰ্কত।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ

* ১২৬। মাননীয় তথ্য প্ৰযুক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ পৰা এমট্ৰ'নক দিবলগীয়া সৰ্বমুঠ ধনৰ পৰিমাণ কি? (বিভিন্ন বিভাগৰ নাম ও দিবলগীয়া ধনৰ পৰিমাণ উল্লেখ কৰি সদনৰ মজিয়াত দাখিল কৰিব)

(খ) বিভাগ সমূহে কোন চনৰ পৰা কিমান ধন এমট্ৰ'নক মোকলাই দিয়া নাই? পাবলগীয়া ধনখিনি মোকলাই নিদিয়াৰ কাৰণ কি?

(গ) বিভাগ সমূহে এমট্ৰ'নে পাবলগীয়া ধনখিনি মোকলাই দিয়াৰ কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(ঘ) এমট্ৰ'নৰ Share Capital ১০ (দহ) কোটিৰ পৰা ১০০ কোটিলৈ বৃদ্ধি কৰাৰ বাবে চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছিল। বৰ্তমান এই বিষয়টো কি পৰ্য্যায়ত আছে?

*বিষয় ঃ* **জমির পাট্টা সম্পর্কিত**

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

* ১২৭। মাননীয় রাজহ এবং দুর্যোগ ব্যবস্থাপনা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাইবেন কি ঃ

(ক) কাঠিগড়া সমষ্টির কাতিরাইল, সুবোধনগর, নরপতি, বিহারা ইত্যাদি অনেক অঞ্চলের বাসিন্দাদের বেশিরভাগ তপশিল সম্প্রদায় ভুক্ত। এবং তারা কয়েক দশক ধরিয়া বাস করিয়া আসিতেছে কিন্তু অদ্যাবধি জমির পাট্টা পান নাই, ইহার কারণের তথ্য এবং কতজনের পাট্টা হইয়াছে এবং কতজন পাননি তাদের নাম সহ তালিকা সদনে প্রদানের অনুরোধ জানাই।

(খ) ২০০১ সাল হইতে অদ্যাবধি আসামে দরিদ্রতার হার কি? এবং তাহাৰ বছর ভিত্তিক তথ্য সদনে প্রদানের অনুরোধ জানাই।

(গ) আসামে ঘরুৱা উৎপাদনের জিডিপি এর ২০০১ সাল হইতে অদ্যাবধি কোন সালের কত, তার বছর ভিত্তিক তথ্য সদনে প্রদানের অনুরোধ জানাই।

(ঘ) ২০০১ সাল হইতে আসামে budget এর ধার্য ধনের কত শতাংশ খরচ হয়েছে তাহার বছর ভিত্তিক তথ্য সদনে প্রদানের অনুরোধ জানাই।

(ঙ) বদরপুরের জংলা কালীবাড়ি কবে স্থাপিত হয়েছিল এবং এই জংলা কালীবাড়ির উন্নতিকল্পে সরকার কি পদক্ষেপ নিয়েছেন? যদি নিয়ে থাকেন তাহা সদনে প্রকাশের অনুরোধ জানাই।

(চ) Barak Valley তে মিনি সেক্রেটারিএটের এর কাজ কত শতাংশ হইয়াছে? এবং কবে নাগাদ হইতে সরকারি কাজকর্ম শুরু হইবে?

*বিষয় ঃ* **গাঁও প্ৰধান সকলৰ মাননী / দৰমহা সম্পৰ্কে।**

শ্ৰীমজিবুৰ ৰহমান ঃ

* ১২৮। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ গাঁওবুঢ়া সকলে অতি নিম্ন হাৰৰ মাননীৰে চৰকাৰী কাম কৰিব লগীয়া হয়। গতিকে অসম চৰকাৰৰ গাঁওবুঢ়া সকলৰ মাননী বৃদ্ধি কৰাৰ কিবা পৰিকল্পনা আছে নেকি?

(খ) যদি আছে, এই ক্ষেত্ৰত চৰকাৰে কেনে ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব)।

*বিষয়ঃ* **পট্টাভুক্ত মাটি সম্পৰ্কে**

শ্ৰীমানব ডেকা ঃ

* ১২৯। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লখিমপুৰ জিলাত কিমানটা পৰিয়ালৰ একচনীয়া / ম্যাদী পট্টাভুক্ত মাটি আছে?

(খ) কিমানটা পৰিয়াল ভূমিহীন হৈ আছে? বৰ্তমান কদম ৰাজহ চক্ৰত জৰীপৰ কাম চলি আছেনে? জৰীপৰ কাম সমাপ্ত হ'লে মাটি দিয়াৰ পৰিকল্পনা কাৰ্য্যকৰী কৰি ভূমি প্ৰদান কৰাৰ ব্যৱস্থা কৰা হ'বনে?

(গ) দুৰ্য্যোগৰ সময়ত ৰাজহ বিভাগে জৰুৰীকালীন নদী এম্বুলেঞ্চ সেৱা প্ৰৱৰ্তন কৰিব পাৰে নেকি?

(ঘ) গাঁও প্ৰধান সকলৰ পাৰিতোষিক বৃদ্ধিৰ বাবে কিবা পৰিকল্পনা গ্ৰহণ কৰিছে নেকি?

*বিষয়ঃ* **বানপানীৰ ক্ষয়-ক্ষতি সম্পৰ্কে।**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

* ১৩০। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত বানপানীৰ ফলত সৰুক্ষেত্ৰী সমষ্টিৰ বিভিন্ন বিভাগৰ ক্ষয়-ক্ষতিৰ প্ৰতিবেদন জিলা আয়ুক্তৰ পৰা চৰকাৰে লাভ কৰিছিল নে? যদি কৰিছিল, সৰুক্ষেত্ৰী সমষ্টিৰ কোন কোন বিভাগৰ কি কি ক্ষতিৰ তালিকা প্ৰেৰণ কৰিছিল? সেই প্ৰতিবেদন দিব।

(খ) উক্ত প্ৰতিবেদন অনুসৰি চৰকাৰে ক'ত ক'ত বা কি কি বিভাগত পুঁজি মঞ্জুৰী দিছে? তালিকা দিব।

(গ) যদি পুঁজি মঞ্জুৰী দিয়া নাই, কি কাৰণত দিয়া নাই আৰু সেই পুঁজি কেতিয়া যোগান ধৰিব?

*বিষয়ঃ* **স্বাস্থ্য পৰিষেৱা**

শ্ৰীসুজাম উদ্দিন লস্কৰ ঃ

* ১৩১। মাননীয় স্বাস্থ্য ও পরিবার কল্যাণ বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) হাইলাকান্দি জেলার অন্তৰ্গত বিলাইপুর ও কালিনগর এলেকায় বিগত ২০১৩-১৪ অৰ্থ বছরে CM's Special Package এর আওতায় দুইটি CHC Building প্ৰায় নব্বই শতাংশ কাজ সম্পূৰ্ণ হওয়ার পর দীৰ্ঘ কয়েক বৎসর যাবৎ অসমাপ্ত অবস্থায় ফেলে রাখার বিষয়ে সরকার অবগত আছে কি?

(খ) যদি থাকে, তবে সরকারি মঞ্জুরীকৃত এই কাজ কবে নাগাদ সম্পূৰ্ণ করা হবে?

(গ) উক্ত কাজের জন্য বরাদ্দপ্ৰাপ্ত ঠিকাদার গণকে অদ্যাবদি কত টাকা প্ৰদান করা হয়েছে? এবং সরকারি হিসাবে কত শতাংশ কাজ সম্পূৰ্ণ করা হয়েছে? তাৰ সবিশেষ তথ্য প্ৰদান করার জন্য অনুরোধ করা হইল।

*বিষয়ঃ* **সত্ৰ বেদখল সম্পৰ্কত**

শ্ৰীপ্ৰদীপ হাজৰিকা ঃ

* ১৩২। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা বাঘবৰ সমষ্টিৰ অধীনৰ

“বৈঠাপোতা” সত্ৰখন একেবাৰে বিপদ সংকুল অৱস্থাত থকা বিষয়টো চৰকাৰৰ অৱগত হয়নে?

(খ) উক্ত সত্ৰখন ব্ৰহ্মপুত্ৰ নৈয়ে উটাই নিয়াৰ উপক্ৰম হোৱাৰ পাছত চৰকাৰক বাৰম্বাৰ জনাই থকাৰ পাছতো কিয় ব্যৱস্থা লোৱা হোৱা নাই?

(গ) উক্ত স্থানৰ ওচৰতে চৰকাৰে উচ্ছেদ কৰা এশবিঘা মাটি দি এই সত্ৰখন স্থানান্তৰিত কৰি সত্ৰখন উদ্ধাৰ কৰাৰ কথা চৰকাৰে বিবেচনা কৰিবনে?

*বিষয়ঃ* **বানপানীৰ ফলত ক্ষতিগ্ৰস্ত লোকৰ সন্দৰ্ভত।**

শ্ৰীচক্ৰধৰ গগৈ ঃ

* ১৩৩। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৪ বৰ্ষত অসমত সৰ্বমুঠ কিমান পৰিয়াল বানপানীৰ ফলত আক্ৰান্ত হৈছিল? তথ্য দিব।

(খ) তাৰেই খোৱাং সমজিলা এলেকাত কিমান পৰিয়াল, কোন কোন গাঁৱত কিমান ক্ষতিগ্ৰস্ত হৈছিল? তথ্য দিব।

(গ) তাৰেই আংশিক আৰু সম্পূৰ্ণ ক্ষতিগ্ৰস্তৰ সংখ্যা পৃথক পৃথককৈ সদনত দিব।

(ঘ) সকলো গাঁৱৰ ক্ষতিগ্ৰস্ত সকলক SDMA ৰ এককালীন সাহাৰ্য্য দিয়া হ'লনে? যদি হোৱা নাই, কোন কোন গাঁৱৰ আৰু কিমান পৰিয়ালক দিয়া হোৱা নাই নাম, তালিকা সহ দিব।

(ঙ) দিবলৈ বাকী থকা সকলক নিদিয়াৰ কাৰণ কি? আৰু কেতিয়াকৈ দিব জনাব।

*বিষয়ঃ* **প্ৰাকৃতিক দুৰ্য্যোগ**

শ্ৰীমনোৰঞ্জন তালুকদাৰ ঃ

* ১৩৪। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত ৰাজ্যিক দুৰ্য্যোগ ব্যৱস্থাপনা আঁচনি (State Disaster Management Plan) ত কেইটা দুৰ্য্যোগ স্বীকৃত হৈ আছে? দুৰ্য্যোগ কেইটাৰ নাম জনাব।

(খ) ৰাজ্যখনত দুৰ্য্যোগ যেনে নদীৰ খহনীয়া, গ্ৰীষ্ম প্ৰবাহ, খৰাং আদি প্ৰাকৃতিক দুৰ্য্যোগ হিচাপে (State Disaster Management Plan) অতিৰিক্তভাৱে স্বীকৃত হৈ আছেনে? যদি হোৱা নাই, ইয়াক অন্তৰ্ভুক্ত কৰাৰ কি ব্যৱস্থা লোৱা হৈছে? বিতংকৈ জনাব।

(গ) বানপানী, ধুমুহা আদি দুৰ্য্যোগ বোৰত ক্ষতিগ্ৰস্ত লোকক যোৱা তিনিটা বৰ্ষ (২০২২, ২০২৩, ২০২৪)ত কিমান ক্ষতিপূৰণ দিয়া হ'ল বিতংকৈ জনাব।

*Subject :* **Water problem**

Shri Jolen Daimary :

* 135. Will the Minister of Irrigation be pleased to State :

(a) More than 15,000 farmers have been affected and stranded due to the breach of the Hatiduba Dam by the Darranga river flowing from Bhutan adjacent to the Tamulpur constituency. Has the department taken any steps to rebuild the

Hatiduba Dam for those farmers ?

(b) Many farmers near the Bhutan hill under Tamulpur constituency are stranded due to water scarcity. Has the department taken any steps to prevent this water problem ? If not, when will it be taken ? Please inform.

*বিষয় ঃ* **ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত অৱস্থিত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ আন্তঃগাঁথনি উন্নয়ন।**

শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ

* ১৩৬। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৰহাট জিলাৰ অন্তৰ্গত কাকজান প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰই (BPHC) কোন চনৰ পৰা জনসাধাৰণক সেৱা আগবঢ়াই আহিছে?

(খ) এই স্বাস্থ্যকেন্দ্ৰই আনুমানিক কিমান সংখ্যক জনসাধাৰণক সামৰি লৈছে আৰু বৰ্তমান গড়ে কিমান সংখ্যক ৰোগীক দৈনিক সেৱা আগবঢ়াইছে?

(গ) বৰ্তমান স্বাস্থ্যকেন্দ্ৰত কিমান সংখ্যক লোক, চিকিৎসককে ধৰি নিয়োজিত হৈ আছে আৰু বৰ্তমান কিমান পদ খালী হৈ আছে? তাৰ বিতং তথ্য দিব। খালী পদসমূহ কেতিয়া পূৰণ কৰা হ'ব?

(ঘ) উজনিৰ নৱনিৰ্মিত ৰাষ্ট্ৰীয় ঘাইপথৰ বহলীকৰণৰ ফলত পথটো স্বাস্থ্যকেন্দ্ৰৰ একেবাৰে কাষলৈ অহাৰ উপৰিও পথটোৰ উচ্চতা বৃদ্ধিৰ ফলত এজাক বৰষুণত স্বাস্থ্যকেন্দ্ৰটো সম্পূৰ্ণ প্লাৱিত হয় আৰু চিকিৎসা সেৱা ব্যাহত হয়। বিষয়টো লক্ষ্য কৰি যোৰহাট জিলাৰ ৰাষ্ট্ৰীয় ঘাই পথৰ কাষত থকা একমাত্ৰ স্বাস্থ্য কেন্দ্ৰটোৰ নতুন গৃহ নিৰ্মাণৰ কাম শীঘ্ৰেই আৰম্ভ কৰিবনে?

*বিষয় ঃ* **Super Speciality Hospital সম্পৰ্কে।**

শ্ৰী কৰিম উদ্দিন বৰভূঞা ঃ

* ১৩৭। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

শিলচৰ Medical College ৰ Super Speciality Hospital খনৰ নিৰ্মাণৰ কাম কেতিয়ালৈ আৰম্ভ কৰিব আৰু কেতিয়ালৈ সম্পূৰ্ণ হৈ উঠিব জনাব।

*Subject :* **Healthcare services by health sub-centres.**

Shri Sirajuddin Ajmal :

* 138. Will the Minister of HEALTH AND FAMILY WELFARE be pleased to State :

(a) What health care services are being provided to the public by the health sub-centres in our state ? Please give in details.

(b) According to the health care rules, how many minimum employees should be there in a health sub-centre in our state ? Please give in details.

(c) Whether these health sub-centres have appropriate staff as per

the healthcare regulations ?

(d) If not, the reasons thereof, and if so, please provide the list of the present health employees staff in various health sub-centres under Hojai District.

*Subject :* **CHC Building**

Shri Misbahul Islam Laskar :

* 139. Will the Minister of Health and Family Welfare be pleased to State :

(a) How many CHC buildings have been newly constructed in Cachar District ?

(b) Whether the CHC building of Borkhola has any sanction for reconstruction of old building which is in a deplorable condition ?

(c) If there is no sanction for Borkhola's CHC building, then when will it be done ?

*বিষয় ঃ* **স্বাস্থ্য কেন্দ্রের পরিকাটামু উন্নয়ন ও ডাক্তর, নার্স নিয়োগ সম্পর্কে।**

শ্রী খলিল উদ্দিন মজুমদার ঃ

* ১৪০। মাননীয় স্বাস্থ্য ও পরিয়াল কল্যাণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করে জানাবেন কি ঃ

(ক) ১৫ নম্বর কাটিগড়া সমষ্টির অন্তর্গত কালাইন হাসপাতাল এবং ফুলবাড়ী উপস্বাস্থ্য কেন্দ্র ভবন, ডাক্তর নার্সের কোয়ার্টার ও বাউন্ডারি ওয়াল পুনঃনির্মাণের জন্য বিগত অধিবেশনে ৬ / ৮ / ২০২৪ ইংরেজি তারিখে প্রশ্নের দেওয়া উত্তর মর্মে সরকার বিভাগকে প্ল্যান এস্টিমেট দেওয়ার নির্দেশ দিয়েছিলেন কিন্তু এখন পর্যন্ত সেটা বাস্তবে কার্যকরী হয় নাই, কবে নাগাদ এই পরিকল্পনার অর্থ মঞ্জুরি হবে? এবং কাজ বাস্তবায়ন হবে? বিস্তারিত তথ্য তুলে ধরার অনুরোধ রইলো।

(খ) কাটিগড়া সমষ্টির অধীনে থাকা প্রাথমিক স্বাস্থ্য কেন্দ্রে কতটি ডাক্তর ও নার্স পোস্ট খালি রয়েছে? ওইসব স্বাস্থ্য কেন্দ্রের রোগীর পরিষেবাকে উন্নত ও তরান্বিত করতে স্থায়ী ভাবে ডাক্তর ও নার্স নিয়োগ করার কি কোন পরিকল্পনা রয়েছে? বিস্তারিতভাবে তথ্য দেওয়ার অনুরোধ রইলো?

---

A.G.P. (Mini) LAQ - 19 /2025-550-04-03-2025